*অথবা*

(খ) যি কোনো এবিধ সাহিত্যিক প্ৰাকৃতৰ পৰিচয় দি তাৰ ভাষাগত বৈশিষ্ট্য বিচাৰ কৰাঁ। ১০

৬। (ক) অসমীয়া ভাষাৰ উৎপত্তি সম্পৰ্কে থকা বিভিন্ন মতসমূহ উল্লেখ কৰি ইয়াৰে গ্ৰহণযোগ্য বুলি ভবা মতটোৰ সম্পৰ্কে নিজৰ যুক্তি প্ৰতিপন্ন কৰাঁ। ১০

*অথবা*

(খ) অসমীয়া ভাষাৰ ধ্বনিগত আৰু ৰূপগত দিশত আৰ্য-ভিন্ন ভাষাৰ প্ৰভাৱ সম্পৰ্কে আলোচনা কৰাঁ। ১০

৭। (ক) অসমীয়া ভাষাত আৰ্যমূলীয় শব্দ সম্পৰ্কে এটি টোকা যুগুত কৰাঁ। ১০

*অথবা*

(খ) কামৰূপী আৰু গোৱালপৰীয়া উপভাষাৰ ৰূপতাত্ত্বিক বিশেষত্ববোৰ ফঁহিয়াই দেখুওৱাঁ। ১০

★★★





**2016**

# ASSAMESE

( Major )

Paper : 3.1

**( Asamiya Bhasha )**

*Full Marks* : 80

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। কেৱল উত্তৰটো লিখাঁ : ১×১০=১০

(ক) পৃথিৱীত সৰ্বাধিক জনসংখ্যা থকা ভাষাগোষ্ঠী কোনটো?

(খ) মেক্সমূলাৰে ইন্দো-ইউৰোপীয় ভাষাগোষ্ঠীক কি বুলি নামকৰণ কৰিছিল?

(গ) ভাৰতীয় আৰ্যভাষাৰ প্ৰাচীনতম সাহিত্যিক ৰূপ কি?

(ঘ) সংস্কৃত ভাষাৰ ৰূপ কোনে নিৰ্দিষ্ট কৰিছিল?

(ঙ) নব্য-ভাৰতীয় আৰ্যভাষাৰ সময় কেতিয়াৰ পৰা আৰম্ভ হৈছে?

(চ) মানবিশিষ্ট বা শ্ৰেষ্ঠ প্ৰাকৃত বুলিলে কোনবিধ প্ৰাকৃতক বুজা যায়?

(ছ) বড়ো কোনটো ভাষাগোষ্ঠীৰ অন্তৰ্গত ভাষা?

(জ) অসমীয়া ভাষাৰ যি কোনো এটা কৃত্ৰিম উপভাষা (পিজিন)ৰ নাম লিখাঁ।

(ঝ) গোৱালপৰীয়া উপভাষাৰ প্ৰধান আঞ্চলিক ৰূপ দুটা কি কি?

(ঞ) 'তদ্ভৱ' শব্দৰ অৰ্থ কি?

২। চমুকৈ উত্তৰ লিখাঁ : ২×৫=১০

(ক) ইন্দো-ইউৰোপীয় ভাষা-পৰিয়ালৰ প্ৰধান ভাগ কেইটা আৰু কি কি?

(খ) মধ্য-ভাৰতীয় আৰ্যভাষাৰ সময়সীমা উল্লেখ কৰাঁ।

(গ) মাগধীয় ভাষাগুচ্ছৰ যি কোনো চাৰিটা ভাষাৰ নাম লিখাঁ।

(ঘ) অষ্ট্ৰো-এচীয় শাখাৰ দুটা ভাষাৰ নাম লিখাঁ।

(ঙ) কামৰূপী উপভাষাৰ দুটা ধ্বনিতাত্ত্বিক বৈশিষ্ট্য উল্লেখ কৰাঁ।





৩। যি কোনো **চাৰিটা** প্ৰশ্নৰ উত্তৰ লিখাঁ : ৫×৪=২০

(ক) ইন্দো-ইউৰোপীয় ভাষা-পৰিয়ালৰ নামকৰণৰ তাৎপৰ্য সম্পৰ্কে আলোচনা কৰাঁ।

(খ) পালি ভাষাত সংস্কৃত ব্যঞ্জন ধ্বনিৰ কেনেধৰণৰ পৰিৱৰ্তন হৈছে?

(গ) মাগধী প্ৰাকৃত বা মাগধী অপভ্ৰংশৰ কোনবোৰ বৈশিষ্ট্যৰ লগত অসমীয়া ভাষাৰ সম্পৰ্ক আছে, বিচাৰ কৰাঁ।

(ঘ) অসমীয়া ভাষাৰ ক্ৰমবিকাশৰ স্তৰ সম্পৰ্কে চমুকৈ লিখাঁ।

(ঙ) নামনি অসমত প্ৰচলিত অসমীয়া ভাষাৰ যি কোনো এটা প্ৰধান উপভাষাৰ শব্দগত দিশ আলোচনা কৰাঁ।

(চ) অসমীয়া ভাষাত ইংৰাজী শব্দৰ ব্যৱহাৰ সম্পৰ্কে এটি টোকা লিখাঁ।

৪। (ক) ইন্দো-ইউৰোপীয় ভাষাগোষ্ঠীৰ মহত্ত্ব আৰু গৌৰৱ সম্পৰ্কে কি জানা, লিখাঁ। ১০

*অথবা*

(খ) ইন্দো-ইউৰোপীয় ভাষাৰ ধ্বনিতাত্ত্বিক আৰু ৰূপতাত্ত্বিক বৈশিষ্ট্য বিচাৰ কৰাঁ। ১০

৫। (ক) মধ্য-ভাৰতীয় আৰ্যভাষা বুলিলে কি বুজা? মধ্য-ভাৰতীয় আৰ্যভাষাৰ বিকাশৰ স্তৰ সম্পৰ্কে লিখাঁ। ১০